**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-JAN-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

------------------------------

১। বিশ্বৰ বিভিন্ন কোম্পানীৰ পৰা অসমত প্ৰায় এক লাখ কোটি টকাৰ বিনিয়োগৰ প্ৰস্তাৱ।

২। কোকৰাঝাৰৰ কাৰিগাঁৱৰ পৰিস্থিতি সুস্থিৰ। আশ্ৰয় শিবিৰত থকা লোকসকলক ঘৰলৈ ঘূৰি যাবলৈ আৰক্ষী-প্ৰশাসনৰ আহ্বান।

৩। জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰত গ্ৰেপ্তাৰ হোৱা পাঁচজন অভিযুক্তৰ জামিন আবেদন সন্দৰ্ভত আজি কামৰূপ মহানগৰ জিলা আৰু ছেচন ন্যায়াধীশৰ আদালতত শুনানি।

৪। জাগীৰোডৰ জোনবিলৰ পাৰত আজিৰে পৰা ঐতিহাসিক জোনবিল মেলা। **আৰু**

৫। নাগপুৰত অনুষ্ঠিত প্ৰথমখন টি-২০ খেলত নিউজিলেণ্ডৰ বিৰুদ্ধে ভাৰতৰ ৪৮ ৰানত জয়লাভ।

oooooo

ছুইজাৰলেণ্ডৰ ডাভ'ছত অনুষ্ঠিত বিশ্ব অৰ্থনৈতিক মঞ্চৰ অধিৱেশনত অসমে প্ৰথমবাৰৰ বাবে অংশগ্ৰহণ কৰাৰ পাছত ৰাজ্যখনত বিশ্বৰ ভালেকেইটা কোম্পানীয়ে বিনিয়োগৰ বাবে ইচ্ছা প্ৰকাশ কৰিছে। অসমত বিশ্বৰ বিভিন্ন কোম্পানীয়ে প্ৰায় এক লাখ কোটি টকাৰ বিনিয়োগৰ প্ৰস্তাৱ দিছে। ভাৰতৰ প্ৰতিনিধি মণ্ডলীৰ সৈতে ডাভ'ছত এই সন্মিলনত অংশগ্ৰহণ কৰা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি সংবাদ মাধ্যমৰ আগত এই বিনিয়োগৰ প্ৰস্তাৱৰ বিষয়ে জনাইছে। ইয়াৰ জৰিয়তে অসমৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল উপকৃত হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে সদৰি কৰিছে। ইতিমধ্যে এই সন্মিলনত অসমে ১০ খন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। ডঃ শৰ্মাই কয়, যে ভাৰত-ব্ৰিটেইন আৰু ভাৰত-ইউৰোপীয় সংঘ মুক্ত বাণিজ্য চুক্তিৰ জৰিয়তে অসমৰ চাহে বিশ্ব বজাৰ লাভ কৰিব। অসমৰ চাহ উদ্যোগৰ সৈতে জড়িত বিভিন্ন উদ্যোগে অনাগত দিনত অধিক প্ৰসাৰতা লাভ কৰিব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰিছে। এই সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত তেওঁ কয়, যে ভাৰতৰ ঘৰুৱা বজাৰখন শক্তিশালী হৈ আছে যদিও ইণ্ডো-ইউৰোপীয় ইউনিয়নৰ সৈতে মুক্ত বাণিজ্য চুক্তি কাৰ্যকৰী হ'লে অসমৰ চাহে বৃহৎ অগ্ৰগতি লাভ কৰিব। ইয়াৰ ফলত অসমৰ চাহে ৰপ্তানিৰ বাবে গুৰুত্বপূৰ্ণ কৰিডৰ লাভ কৰিব বুলিও তেওঁ কয়।

**ৱাইট (চি এম)**

মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে বিগত ৫ বছৰত চাহ, কৃষি, নিৰ্মাণ, খনি আৰু খনিজাত পদাৰ্থ আৰু সেৱা খণ্ডৰ ভাল প্ৰদৰ্শনৰ ফলত ৰাজ্যখনৰ বিকাশৰ হাৰ ৰাষ্ট্ৰীয় পৰ্যায়তকৈ অধিক হৈছে। অসম মাত্ৰ এখন ৰাজ্য নহয় বৰং উত্তৰ-পূৰ্বাঞ্চলৰ আঠোখন ৰাজ্যৰ সমষ্টি বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ লগতে ছেমিকণ্ডাক্টৰ খণ্ডক নতুন যুগৰ উদ্যোগ বুলি অভিহিত কৰে।

বিশ্ব অৰ্থনৈতিক মঞ্চৰ অধিবেশনত অংশ লোৱাৰ সুযোগতে মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কালি বহুজাতিক উদ্যোগ এ বি ইনবেভৰ এগৰাকী শীৰ্ষ বিষয়া আন্দ্ৰে পেনাটেৰ সৈতে আলোচনাত মিলিত হয়। প্ৰতিষ্ঠানটোৱে অসমত তেওঁলোকৰ উৎপাদন সম্প্ৰসাৰণৰ বাবে আগ্ৰহ প্ৰকাশ কৰে। তেওঁ লগতে সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰত থকা লুলু গ্ৰুপৰ অধ্যক্ষ ইউছুফ আলীৰ সৈতে এখন  বৈঠকত অসমৰ কৃষি প্ৰসংস্কৰণ, আতিথ্য, খুচুৰা ব্যৱসায় আদি খণ্ডত বিনিয়োগৰ সম্ভাৱনীয়তা সন্দৰ্ভত আলোচনা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে ইয়াৰ পূৰ্বে বৰাহ গোটৰ মুখ্য পৰিচালন বিষয়া

ইকাৰাজ জানজেনৰ সৈতে বিশেষ বৈঠকত মিলিত হয়। বৈঠকত কাৰ্বন ডাই অক্সাইড নিষ্কাষণৰ সৈতে কাম কৰি থকা সংস্থাটোৰ বিশেষ পদ্ধতি অসমৰ কৃষক সমাজক উপকৃত কৰিব পৰাকৈ প্ৰয়োগ কৰাৰ বিষয় লৈ আলোচনা কৰা হয়।

oooooo

কোকৰাঝাৰ জিলাৰ কাৰিগাঁৱৰ গৌৰীনগৰৰ পৰিস্থিতি ক্ৰমাৎ স্বাভাৱিক অৱস্থালৈ আহিছে। সেনা বাহিনীৰ কটকটীয়া বেষ্টনীৰ মাজত কাৰিগাঁৱৰ ৰাষ্ট্ৰীয় ঘাইপথত যান-বাহনৰ চলাচল অব্যাহত আছে। কালি আশ্ৰয়শিবিৰসমূহ পৰিদৰ্শন কৰি অসম আৰক্ষীৰ আইন-শৃংখলা শাখাৰ মহাপৰিদৰ্শক অখিলেশ সিঙে শিবিৰত থকা লোকসকলক কোনো সংশয় অবিহনে নিজ বাসগৃহলৈ উভতি যাবলৈ আহ্বান জনায়। তেওঁ পৰিস্থিতি স্বাভাৱিক হোৱা বুলি দাবী কৰি জিলাখনত পৰ্যাপ্ত নিৰাপত্তা বাহিনী সৈম হৈ থকা বুলিও ৰাইজক আশ্বস্ত কৰে। সংবাদ মাধ্যমৰ আগত শ্ৰী সিঙে কয়, যে এই ঘটনা সন্দৰ্ভত ১৯ জন লোকক গ্ৰেপ্তাৰ কৰাৰ লগতে ২০ জানুৱাৰীৰ বিক্ষিপ্ত ঘটনাত জড়িত তিনিজনক আটক কৰা হৈছে।  উল্লেখযোগ্য যে জিলাখনত নতুনকৈ কোনো হিংসাত্মক ঘটনা সংঘটিত হোৱাৰ বাতৰি অহা নাই। মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কালি কোকৰাঝাৰ জিলা ভ্ৰমণ কৰি জিলাখনৰ আইন-শৃংখলা পৰিস্থিতিৰ পৰ্যালোচনা কৰে। তেওঁ জনসাধাৰণক শান্তি আৰু সম্প্ৰীতি বৰ্তাই ৰাখিবলৈ আহ্বান জনায়। স্বাস্থ্য মন্ত্ৰী অশোক সিংহলে কালি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত উপস্থিত হৈ কোকৰাঝাৰৰ ঘটনাত আহত লোকসকলৰ স্বাস্থ্য আৰু চিকিৎসা ব্যৱস্থাৰ বুজ লয়। তেওঁলোকক বিনামূলীয়াকৈ সকলো চিকিৎসা প্ৰদান কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে।

বাইট

ইপিনে, কালি কোকৰাঝাৰৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত বিটিচি বিধায়িনী সভাৰ প্ৰেক্ষাগৃহত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত বিটিচিৰ মুৰব্বী হাগ্ৰামা মহিলাৰী, মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, চৰণ বড়ো, বিধায়ক লৰেঞ্চ ইছলাৰী তথা জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। বৈঠকৰ পাছত শ্ৰী মহিলাৰীয়ে জিলাখনৰ সকলো শ্ৰেণীৰ জনসাধাৰণক ভুৱা তথ্য আৰু উৰা বাতৰি প্ৰচাৰৰ পৰা বিৰত থাকিবলৈ আহ্বান জনায়। তেওঁ লগতে জনসাধাৰণক প্ৰশাসন আৰু সুৰক্ষা বাহিনীক পৰিস্থিতি নিয়ন্ত্ৰণৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈও আহ্বান জনায়।

আস্থা গঢ়াৰ আৰু সতৰ্কতামূলক ব্যৱস্থাৰ অংশ হিচাপে কালি কাৰিগাঁও আৰক্ষী চকীৰ অধীনৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ উত্তৰ দিশৰ স্পৰ্শকাতৰ এলেকাসমূহত সেনা, ৰেপিড এক্সন ফ'ৰ্চ, চি আৰ পি এফ, অসম আৰক্ষী আৰু জিলা প্ৰশাসনৰ বিষয়াসকলে যৌথভাৱে ফ্লেগমাৰ্চ কৰে। জিলা আয়ুক্তই অঞ্চলটোৰ সামগ্ৰিক পৰিস্থিতি ক্ৰমাৎ উন্নত হ'ব ধৰিছে। তেওঁ কয়, যে জিলাখনত সৃষ্টি হোৱা শেহতীয়া অশান্ত পৰিস্থিতিৰ বলি হোৱা লোকসকলৰ বাবে জিলাখনত স্থাপন হোৱা দুটা সাহায্য শিবিৰত এহেজাৰ দুশৰো অধিক লোকে আশ্ৰয় লৈ আছে। কৰ্তৃপক্ষই সকলোকে ধৈৰ্য্য ধৰি থাকিবলৈ, প্ৰশাসনৰ সৈতে সহযোগিতা কৰিবলৈ আৰু উৰা বাতৰি বিয়পোৱাৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছে। বি টি এ ডিৰ আৰক্ষীৰ মহা পৰিদৰ্শক বিবেক ৰাজ সিঙেও জনসাধাৰণক উৰা বাতৰিত পতিয়ন নাযাবলৈ আহ্বান জনাইছে।

oooooo

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰত গ্ৰেপ্তাৰ হোৱা পাঁচজন অভিযুক্তৰ জামিন আবেদন সন্দৰ্ভত আজি কামৰূপ মহানগৰ জিলা আৰু ছেচন ন্যায়াধীশৰ আদালতত শুনানি গ্ৰহণ কৰা হ'ব। জ্যেষ্ঠ অধিবক্তা জিয়াউল কামাৰৰ নেতৃত্বত ৰাজ্য চৰকাৰে গঠন কৰা পাঁচজনীয়া বিশেষ লোক অধিবক্তাৰ দলে আজি এই অভিযুক্তসকলৰ জামিনৰ বিৰোধিতাৰে আদালতত লিখিত আবেদন দাখিল কৰাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে ছিংগাপুৰত শিল্পীগৰাকীৰ ৰহস্যজনক মৃত্যু সম্পৰ্কীয় গোচৰত অসম আৰক্ষীৰ বিশেষ তদন্তকাৰী গোটে ৭ জন অভিযুক্তক গ্ৰেপ্তাৰ কৰিছিল। বৰ্তমান বাক্সা জিলা কাৰাগাৰ আৰু হাফলং উপ-কাৰাগাৰত থকা এই অভিযুক্তকেইজনৰ ভিতৰত শ্যামকানু মহন্ত,

সন্দীপন গাৰ্গ, অমৃতপ্ৰভা মহন্ত, পৰেশ বৈশ্য আৰু নন্দেশ্বৰ বৰাই আদালতত জামিন আবেদন দাখিল কৰিছে। এই আবেদনসমূহৰ আজি শুনানি গ্ৰহণ কৰা হ'ব। আন দুজন অভিযুক্ত সিদ্ধাৰ্থ শৰ্মা আৰু শেখৰজ্যোতি গোস্বামীয়ে এই পৰ্যন্ত জামিন আবেদন দাখিল কৰা নাই।

০০০০০০

জাগীৰোডৰ জোনবিলৰ পাৰত আজিৰে পৰা ২৪ জানুৱাৰীলৈ তিনিদিনীয়া কাৰ্যসূচীৰে ঐতিহাসিক গোভা দেওৰজাৰ পৰম্পৰাগত জোনবিল মেলা অনুষ্ঠিত হৈছে। প্ৰতিবছৰৰ দৰে এইবাৰো বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকৰ সমন্বয়ৰ ভূমি জোনবিলৰ পাৰত পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ নিদৰ্শন দেখিবলৈ পোৱা যাব। আজি পুৱা পতাকা উত্তোলন আৰু মাংগলিক অনুষ্ঠানেৰে এই মেলা আৰম্ভ হয়। আজি পাহাৰৰ মামা-মামীসকল সামগ্ৰী বিনিময়ৰ বাবে মেলালৈ আহিছে। কাইলৈ কাহিলী পুৱাতে ঐতিহাসিক বিনিময় প্ৰথাৰে হাট মুকলি কৰা হ'ব। মামা-মামীসকলে পাহাৰত উৎপাদিত আলু, কচু, আদা, হালধি আদি সামগ্ৰীৰে ভৈয়ামৰ লোকসকলৰ সৈতে অন্যান্য সামগ্ৰী আদান-প্ৰদান কৰিব। ইয়াৰ পাছতে জোনবিলৰ পাৰত সমূহীয়া মাছ ধৰা পৰ্ব আৰু পৰম্পৰাগত কুকুৰা যুঁজ অনুষ্ঠিত হ'ব। কাৰ্যসূচীৰ অংশ হিচাপে মধ্য অসমৰ পৰম্পৰাগত তিৱাসকলৰ ৰাজ দৰবাৰত ২২ গৰাকী তিৱা ৰজাক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজভাট্টা প্ৰদান কৰিব। ইয়াৰ লগতে তিৱা আৰু অসমীয়া ভাষাৰ কবি সন্মিলন, বিভিন্ন নৃত্য-গীতৰ কাৰ্যসূচী আৰু সুস্বাদু খাদ্যৰ মেলা অনুষ্ঠিত হ'ব। ঐতিহাসিক জোনবিল মেলা সন্দৰ্ভত আমাৰ মৰিগাঁৱৰ সংবাদদাতা ডালিম ফুকনে এইদৰে জনাইছে–

**ভইচকাষ্ট (ডালিম ফুকন)**

০০০০০০

কামৰূপ মহানগৰ জিলাৰ পানীখাইটিত আজি অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষীৰ কেন্দ্ৰীয় প্ৰশিক্ষণ প্ৰতিষ্ঠান চমুকৈ চি টি আই চৌহদৰ আন্তঃগাঁথনি উন্নীতকৰণৰ ভূমিপূজন আৰু আধাৰশিলা স্থাপন কৰা হ'ব। অনুষ্ঠানত মুখ্য অতিথি ৰূপে উপস্থিত থাকিব ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত। অনুষ্ঠানত গুৱাহাটী লোকসভা সভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধি আৰু দিছপুৰ সমষ্টিৰ বিধায়ক অতুল বৰাও উপস্থিত থাকিব। এই নতুন আন্তঃগাঁথনিত প্ৰশিক্ষাৰ্থীৰ আবাস, শিক্ষাদান ব্লক, ৰান্ধনীশাল আৰু ডাইনিং হল, সামগ্ৰী সংৰক্ষণ, উদ্ধাৰ প্ৰশিক্ষণ টাৱাৰ, পাৰ্কিং আৰু প্ৰশিক্ষণৰ বাবে ব্যৱহৃত পুখুৰীৰ উন্নয়ন কৰা হ'ব।

০০০০০০

কেন্দ্ৰীয় দক্ষতা আৰু উদ্যমিতা দপ্তৰৰ ৰাজ্যমন্ত্ৰী জয়ন্ত চৌধুৰীয়ে কালি গুৱাহাটীৰ ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান – আই আই ই পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত মন্ত্ৰীগৰাকীয়ে আই আই ই চৌহদত নতুনকৈ স্থাপন কৰা দক্ষতা ভাৰত আন্তৰ্জাতিক কেন্দ্ৰও প্ৰত্যক্ষ কৰাৰ লগতে আন্তঃগাঁথনি আৰু আন্তৰ্জাতিক দক্ষতা মানৰ প্ৰসাৰ আৰু বিশ্বব্যাপী নিয়োগৰ সুযোগ বৃদ্ধিৰ লক্ষ্যৰে চলি থকা পদক্ষেপসমূহৰ বিষয়ে পৰ্যালোচনা কৰে। মন্ত্ৰীগৰাকীয়ে লগতে ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ বিষয়াৰ উপৰি দক্ষতা ক্ষেত্ৰখনৰ সৈতে জড়িত অংশীদাৰী এম এছ এম ই ক্ষেত্ৰৰ প্ৰতিনিধি আৰু আই আই ইৰ প্ৰশিক্ষাৰ্থীসকলৰ সৈতেও মত বিনিময় কৰে। মন্ত্ৰীগৰাকীয়ে দক্ষতা বিকাশৰ পদক্ষেপসমূহ শক্তিশালী কৰা, উদ্যমিতা ক্ষেত্ৰৰ প্ৰসাৰ আৰু উত্তৰ-পূবত নিয়োগ যোগ্যতা বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

০০০০০০

বিধানসভা নিৰ্বাচনৰ বাবে অসমত চলি থকা ভোটাৰ তালিকাৰ বিশেষ পৰীক্ষণ প্ৰক্ৰিয়াৰ আজি অন্ত পৰিব। ভোটাৰসকলক তেওঁলোকৰ কিবা ওজৰ-আপত্তি থাকিলে আজিৰ ভিতৰত এইসমূহ দাখিল কৰিবলৈ ৰাজ্যিক নিৰ্বাচন আয়োগে ইতিমধ্যে অধিসূচনাৰ জৰিয়তে আহ্বান জনাইছে। অভিযোগ নিষ্পত্তিৰ পাছতে অহা ১০ ফেব্ৰুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব। উল্লেখযোগ্য যে যোৱা ২৭ ডিচেম্বৰত খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হৈছিল।

ভোটাৰ তালিকাৰ বিশেষ সংশোধনৰ বাবে নিৰ্বাচন আয়োগে যোৱা ১৭ নৱেম্বৰত অধিসূচনা জাৰি কৰিছিল। এই অধিসূচনাত ভোটাৰৰ নাম সংশোধন, নতুন নাম অন্তৰ্ভুক্তি, সমষ্টি সালসলনি প্ৰক্ৰিয়াৰ লগত জড়িত ওজৰ-আপত্তিসমূহ আজিৰ ভিতৰত দাখিল কৰাৰ বাবে সময়সীমা নিৰ্ধাৰণ কৰি দিয়া হৈছিল। নিৰ্বাচন আয়োগে ইতিমধ্যে ৬ লাখ অভিযোগ-আপত্তি নিষ্পত্তি কৰিছে যদিও এতিয়াও ১৮ লাখতকৈও অধিক অভিযোগ নিষ্পত্তি কৰিবলৈ বাকী আছে।

০০০০০০

বিশ্বনাথ জিলাৰ চতিয়া থানাত আৰক্ষী জিম্মাৰ পৰা আচামীৰ পলায়নৰ পাছতে তিনিগৰাকী আৰক্ষী জোৱানক নিলম্বন কৰা হৈছে। নিলম্বিত জোৱানকেইজন কনিষ্টবল প্ৰিয়ংকা বাৰুতি, এল চি বিমান দাস আৰু চন্তৰীৰ দায়িত্বত থকা জন কোৰাদাক বুলি প্ৰকাশ কৰা হৈছে। বিশ্বনাথ আৰক্ষী অধীক্ষকে এটা নিৰ্দেশযোগে এই জোৱানকেইজনক নিলম্বন কৰিছে। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা এজন মাদক দ্ৰব্য সৰবৰাহকাৰী থানাৰ পৰা পলায়ন কৰাৰ পাছতে আৰক্ষীৰ লোককেইজনৰ বিৰুদ্ধে এই ব্যৱস্থা গ্ৰহণ কৰা হয়।

০০০০০০

**নাগপুৰৰ বিদৰ্ভা ক্ৰিকেট এছ'চিয়েশ্যন ষ্টেডিয়ামত অনুষ্ঠিত পাঁচখনীয়া T20 ক্ৰিকেট শৃংখলাৰ প্ৰথমখন মেচত ভাৰতে নিউজিলেণ্ডক ৪৮ ৰানত পৰাস্ত কৰে। এই জয়ৰ জৰিয়তে নিউজিলেণ্ডৰ বিৰুদ্ধে পাঁচখনীয়া শৃংখলাত ভাৰতে ১-০ত অগ্ৰগতি লাভ কৰে। খেলখনত নিউজিলেণ্ডে নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেটৰ বিনিময়ত ১৯০ ৰান সংগ্ৰহ কৰে। ভাৰতে বিপক্ষ দলটোক ২৩৯ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছিল।**

আলহী দলটোৰ হৈ গ্লেন ফিলিপছে ৪০টা বলত ৭৮ ৰান সংগ্ৰহ কৰি সৰ্বাধিক স্ক'ৰ কৰে। আয়োজক দলৰ হৈ বৰুণ চক্ৰৱৰ্তী আৰু শিৱম ডুবেই এটাকৈ উইকেট দখল কৰাৰ বিপৰীতে অৰ্শ্বদীপ সিং, হাৰ্দিক পাণ্ডিয়া আৰু অক্ষৰ পেটেলে এটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে আলহী দলটোৱে টছত জয়লাভ কৰি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লৈছিল। প্ৰথমে বেটিং কৰি ভাৰতৰ হৈ অপেনাৰ তথা প্লেয়াৰ অব দা মেচ সন্মান লাভ কৰা অভিষেক শৰ্মাই ৮৪ ৰানৰ বৰঙণি আগবঢ়ায়। শৃংখলাৰ দ্বিতীয়খন খেল কাইলৈ সন্ধিয়া ৰায়পুৰৰ শ্বহীদ বীৰ নাৰায়ণ সিং আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰিকাকতসমূহৰ প্ৰথম পৃষ্ঠাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ডাভোছত বিশ্ব অৰ্থনৈতিক সন্মিলনত অংশগ্ৰহণ কৰি বিভিন্ন পক্ষৰ সৈতে আলোচনাত মিলিত হোৱাৰ খবৰটোৱে মুখ্য বাতৰিৰ শিৰোনাম দখল কৰিছে। **'ইউৰোপত অসমৰ চাহে পাব নতুন বজাৰ'** শিৰোনামেৰে নিয়মীয়া বাৰ্তা কাকতে এই সম্পৰ্কীয় এটা বিস্তৃত বাতৰি পৰিৱেশন কৰিছে। **দি চেন্টিনেল, দি আচাম ট্ৰিবিউন, দৈনিক জনমভূমি** আদি কাকততো ডাভোজত মুখ্যমন্ত্ৰীয়ে কেবাগৰাকীও উদ্যোগপতিৰে আলোচনাত মিলিত হোৱাৰ বাতৰিটোৱে প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে। মৰিগাঁও জিলাৰ শ শ সংখ্যালঘু পৰিয়াললৈ ভোটাৰ তালিকা বিশেষ সংশোনীৰ নামত জাননী প্ৰেৰণ কৰাৰ পাছত কালি মৰিগাঁও জিলা আয়ুক্ত কাৰ্যালয়ত প্ৰতিবাদমুখৰ পৰিস্থিতিৰ সৃষ্টি হয়। জাগীৰোড সমজিলা আয়ুক্ত কাৰ্যালয়তো বিশৃংখল পৰিস্থিতিৰ বাবে শুনানি স্থগিত ৰাখিবলগীয়া হয়। **অসমীয়া প্ৰতিদিন** কাকতত প্ৰথমপৃষ্ঠাত গুৰুত্বসহকাৰে এই বাতৰিটো প্ৰকাশ কৰা হৈছে। কোকৰাঝাৰৰ কাৰিগাঁওৰ বিক্ষিপ্ত ঘটনাৱলীৰ পাছত কালিৰে পৰা স্পৰ্শকাতৰ এলেকাসমূহত সেনা বাহিনী ৰ ফ্লেগ মাৰ্চ অব্যাহত আছে। **দৈনিক অসম, অসমীয়া খবৰ, দৈনিক অগ্ৰদূত** আদিকে ধৰি প্ৰায়বোৰ কাকততেই এই বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰা হৈছে। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে গ্ৰীণলেণ্ড নিয়ন্ত্ৰণ কৰিবলৈ বল প্ৰয়োগ নকৰে বুলি কয় যদিও পুনৰ তেঁও আৰ্কটিক দ্বীপৰ মালিকীস্বত্ব ৱাশ্বিংটনক দিয়াৰ দাবী উত্থাপন কৰে। ডাভোছত বিশ্ব অৰ্থনৈতিক মঞ্চৰ সন্মিলনত

**ভাষণ দি আমেৰিকাৰ ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে গ্ৰীনলেণ্ড অধিগ্ৰহণ সন্দৰ্ভত আমেৰিকাই তাৎক্ষণিক আলোচনা বিচাৰিছে। এই বাতৰিটোক দি টাইমচ অব ইণ্ডিয়া কাকতে বিতংভাৱে প্ৰথমপৃষ্ঠাত পৰিৱেশন কৰিছে। এতিয়া আহক আমি পুনৰ ওভতি যাঁও বাতৰিৰ মাজলৈ।**

oooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত কাইলৈ বিদ্যা আৰু সুকুমাৰ কলাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ পূজা-অৰ্চনা কৰা হ'ব। গুৱাহাটী মহানগৰীৰ বিভিন্ন শিক্ষানুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে ৰাজ্য বিভিন্ন প্ৰান্ততো এই পূজাৰ আয়োজন কৰা হৈছে। মৃণ্ময় মূৰ্তিক প্ৰাণৱন্ত কৰাৰ বাবে প্ৰতিমা আৰু পূজাৰ সামগ্ৰীৰে বজাৰ ভৰি পৰা পৰিলক্ষিত হৈছে। ৰাজ্যৰ শিক্ষানুষ্ঠানসমূহত সৰস্বতী পূজাৰ বাবে আজিৰে পৰাই উলহ-মালহ পৰিবেশে বিৰাজ কৰিছে।

oooooo

অসম-নগালেণ্ড সীমাৰ বান্দৰছলিয়াৰ স্বৰ্ণপুৰ আৰু আগহাটিটুৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গ সমন্বয় ক্ষেত্ৰত আজিৰ পৰা ২৪ জানুৱাৰীলৈ পাদদেশীয় ৰাষ্ট্ৰীয় নাট মহোৎসৱ অনুষ্ঠিত হ'ব। অসমীয়া আৰু নগা লোকৰ সাতামপুৰুষীয়া সম্প্ৰীতি-সম্পৰ্ক দৃঢ় কৰাৰ উদ্দেশ্যে পাদদেশীয় সমন্বয় মঞ্চৰ উদ্যোগত আৰু উত্তৰ-পূৰ্বাঞ্চল খিলঞ্জীয়া গণমঞ্চৰ সহযোগত আয়োজিত এই ৰাষ্ট্ৰীয় নাট মহোৎসৱত অসমৰ লগতে নগালেণ্ড, মণিপুৰ আৰু মিজোৰামৰ কেইবাটাও নাট্যদলে অংশগ্ৰহণ কৰিব। মুকলি মঞ্চত দিনৰ ভাগতে নাটক মঞ্চস্থ হ'বলগা এই মহোৎসৱৰ উদ্বোধনী অনুষ্ঠানত অসমৰ লগতে নগালেণ্ডৰ বহু কেইগৰাকী বিশিষ্ট ব্যক্তি আৰু সাংস্কৃতিক কৰ্মীয়ে অংশগ্ৰহণ কৰিব।

oooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চল পুৱাৰ ভাগত কুঁৱলীয়ে আৱৰি থাকিব। পাছলৈ বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৮ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, আৰু ত্ৰিপুৰাৰ বতৰ শুকান হোৱাৰ আৰু অৰুণাচল প্ৰদেশৰ বিভিন্ন স্থানত পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

**সমাপ্ত**